# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-06-2024
**Time :** 17-15 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - -

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইটালীৰ এদিনীয়া ভ্ৰমণ সামৰি আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। সামাজিক মাধ্যমৰ এটা পʼষ্টত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ইটালী ভ্ৰমণক ফলদায়ক হিচাপে বৰ্ণনা কৰিছে। শ্ৰী মোদীয়ে বিভিন্ন বিষয়কলৈ বিশ্ব নেতাসকলৰ সৈতে হোৱা আলোচনাত আলোকপাত কৰে। তেওঁ লগতে বিশ্ব সম্প্ৰদায়ক উপকৃত কৰিব পৰা কেতবোৰ সিদ্ধান্ত আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন সুন্দৰ পৃথিৱী তৈয়াৰ কৰাৰ বাবে গ্ৰহণ কৰা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও উল্লেখ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ সৈতে বিভিন্ন গোলকীয় বিষয়ত ফলপ্ৰসু আলোচনাত সহায় কৰা বুলি প্ৰকাশ কৰিছে। লগতে এই সন্মিলনত অংশগ্ৰহণ কৰা দেশসমূহৰ সৈতে ভাৰতৰ অংশীদাৰিত্ব বৃদ্ধিতো এই ভ্ৰমণে ভূমিকা লোৱা বুলি মন্ত্ৰালয়ে জনাইছে।

ইটালী ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে ইটালীৰ প্ৰধানমন্ত্ৰী জʼৰ্জিয়া মেলনি, ব্ৰিটেইনৰ প্ৰধানন্ত্ৰী ঋষি চুনাক, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কিসহ সাতগৰাকী বিশ্বনেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

০০০০০

চলিত বছৰৰ সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটা অসমীয়া ভাষাত **বিপন্ন বিস্ময় খেল** নামৰ উপ্যানাসৰ বাবে ৰঞ্জু হাজৰিকাই আৰু বড়ো ভাষাত **বুহুমা বৈনীবৰ** নামৰ কাব্য গ্ৰন্থৰ বাবে ভাৰ্জিন জেকʼভা মছাহাৰীয়ে লাভ কৰিছে। আনহাতে সাহিত্য একাডেমী যুৱ পুৰস্কাৰ অসমীয়া ভাষাত **জাল কটা জুই** গল্প সংকলনৰ বাবে নয়নজ্যোতি শৰ্মালৈ আৰু বড়ো ভাষাত **চাইখ্লাম** নামৰ গল্প সংকলনৰ বাবে SELF MADE ৰাণী বড়োলৈ আগবঢ়োৱা হৈছে। আনহাতে বাংলা ভাষাত **দেৰাজে হলুদ ফুল** শীৰ্ষক কবিতা সংকলনৰ বাবে অসমৰ ছুতপা চক্ৰৱৰ্তীয়ে যুৱ পুৰস্কাৰ লাভ কৰিছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলাৰ বিষ্ণুনগৰত নতুনকৈ নিৰ্মাণ কৰা ন্যায়িক আদালতৰ ভৱনৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰায় ২৫ কোটি টকা ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰি উলিওৱা হৈছে। এই ভৱনটো উদ্বোধন কৰাৰ লগে লগে সকলো ন্যায়িক কাৰ্য একেটা ভৱনতে সম্পন্ন হʼব। আদালত ভৱনটো উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে আইনী আন্তঃগাঁথনি উন্নত কৰাৰ লগতে ৰাজ্যত ন্যায়ৰ সুবিধা সুনিশ্চিত কৰাৰ চেষ্টা চলাই আহিছে। তেওঁ অধিবক্তাসকলক নতুন ন্যায় সংহিতা দৰ্শনৰ লগত সংপৃক্ত হৈ জনসাধাৰণক ক্ষীপ্ৰভাৱে সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত ব্ৰতী হʼবলৈ আহ্বান জনায়। ইয়াৰ উপৰি বাল্যবিবাহ আৰু নাৰী নিৰ্যাতনৰ ঘটনাত জড়িত গোচৰসমূহত অপৰাধী যাতে সাৰি নাযায় তাৰ বাবে অধিবক্তাসকলক পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। চৰকাৰৰ বাবে যাতে কোনো ধৰণৰ গোচৰৰ নিষ্পত্তিৰ প্ৰক্ৰিয়াটো

লেহেমীয়া নহয় তাৰ বাবেও চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ সমগ্ৰ ৰাজ্যতে আইনী আন্তঃগাঁথনি উন্নত কৰাৰ বাবে চৰকাৰৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শিৱসাগৰ জিলা আদালত একেটা ভৱনত উদ্বোধন হোৱাৰ লগে লগে আইনী প্ৰক্ৰিয়া ক্ষীপ্ৰতাৰে নিষ্পত্তি হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰিছে। লগতে এই পদক্ষেপৰ জৰিয়তে শিৱসাগৰ আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলৰ বাসিন্দাসকলে সুলভ আৰু কাৰ্যক্ষম আইনী সেৱা লাভ কৰিব বুলি তেওঁ কয়। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই অংশগ্ৰহণ কৰি উদ্বোধন কৰা নতুন ভৱনে আইন সেৱাৰ সৈতে জড়িত সকলো ন্যায়িক বিষয়া তথা অধিবক্তাসকলৰ কামক অধিক গতি প্ৰদান কৰিব বুলি মত প্ৰকাশ কৰে।

০০০০০

কালি সন্ধিয়াৰ পৰা অব্যাহত থকা বৰষুণৰ ফলত বৰপেটা জিলাৰ কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। সমান্তৰালভাৱে জিলাখনৰ নৈ-উপনৈ সমূহৰো জলস্তৰ বৃদ্ধি পাইছে। হাউলী পৌৰসভা অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ ফলত স্থানীয় লোকসকলে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। বানৰ বাবে হাউলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদান ব্যাহত হৈছে। শিক্ষানুষ্ঠানখনৰ শ্ৰেণীকোঠা, কাৰ্যালয় কক্ষ বানত বুৰ যোৱাৰ ফলত পাঠদান স্তব্ধ হৈ পৰে। জিলাখনৰ চাউলখোৱা আৰু নখন্দা নদীৰ জলস্তৰ বৃদ্ধি হোৱাত স্থানীয় লোক শংকিত হৈ পৰিছে।

০০০০০

ৰাজ্যৰ দুৰ্নীতি নিবাৰক শাখাই দুৰ্নীতিগ্ৰস্ত বিষয়াসকলৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। উৎকোচ লোৱাৰ অভিযোগত আজি দুৰ্নীতি নিবাৰক শাখাই যোৰহাটত ইকবাল আহমেদ নামৰ বন বিষয়াক হাতে-লোটে ধৰা পেলায়। এক লাখ ২০ হাজাৰ টকা উৎকোচ লওঁতেই অভিযানকাৰী দলে বিষয়াজনক গ্ৰেপ্তাৰ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ জুনত উদযাপন কৰিবলগীয়া ১০ম আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে আজি সামাজিক মাধ্যম এক্সত অৰ্ধচক্ৰাসনৰ ভিডিঅ' প'ষ্ট কৰিছে। ভিডিঅ'টো শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে হৃদযন্ত্ৰ ভালে ৰখা আৰু শৰীৰত তেজৰ চলাচল উন্নত কৰাৰ বাবে এই আসন অভ্যাস কৰিবলৈ সকলোকে আহ্বান জনায়। ভিডিঅ'টোত এই আসন কিদৰে কৰিব লাগে তাৰো বৰ্ণনা দিয়া হৈছে।

০০০০০

নিশা ৮ বজাৰ দৃষ্টিপাত অনুষ্ঠানত অসমত যোগৰ প্ৰসাৰ শীৰ্ষক এটা আলোচনা অনুষ্ঠান প্ৰচাৰ কৰা হব। এই অনুষ্ঠানত অসম আয়ুষ অভিযানৰ প্ৰৱন্ধক মানস কমল গগৈ আৰু যোগ বিশেষজ্ঞ দিব্যজ্যোতি ডেকাই অংশগ্ৰহণ কৰিব। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৬৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি পোনপটীয়াকৈ অনুষ্ঠানটিত অংশ লব পাৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০

সমাপ্ত